# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-06-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাজ্য চৰকাৰে পূৰ্ব ঘোষিত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয় যে, ৰাজ্যিক মন্ত্ৰীসভাই আজি এই আঁচনিখনক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰে। এই আঁচনি অনুসৰি একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে মাহে এহেজাৰ টকাকৈ লাভ কৰিব। গৰমৰ বন্ধৰ দুটা মাহক বাদ দি উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ সমগ্ৰ সময়ছোৱাত প্ৰতি মাহৰ ১১ তাৰিখে সংশ্লিষ্ট ছাত্ৰীগৰাকীৰ একাউণ্টত এই ধন সোমাব বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, তিনিবছৰীয়া অথবা চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমত অধ্যয়ন কৰা ছাত্ৰীসকলৰ বাবে এই আঁচনিৰ ধনৰ পৰিমান হ'ল এহেজাৰ ২৫০ টকা। আনহাতে, বি এড পাঠ্যক্ৰমকে ধৰি স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ অধীনত ২ হাজাৰ ৫০০ টকাকৈ লাভ কৰি বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। বাল্য বিবাহ ৰোধৰ প্ৰতি লক্ষ্য ৰাখি এই আঁচনি প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ৰ কোনো বিবাহিত ছাত্ৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব নোৱাৰিব। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰা ছাত্ৰীয়ে এই সুবিধা নাপাব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ইপিনে অৰ্থনৈতিকভাৱে দুৰ্বল শিক্ষাৰ্থীয়ে নীটৰ পৰীক্ষাত সফলতা লাভ কৰাৰ বাবে ৰাজ্য চৰকাৰে ফলপ্ৰসূ প্ৰচেষ্টা হাতত লৈছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্যিক যুৱ আয়োগৰ নেতৃত্বত শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হৈছে। ডিব্ৰুগড়ত এলেনৰ সৈতে যুটীয়াভাৱে ২২০ গৰাকী শিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছিল আৰু ইয়াৰ ভিতৰত ১৫০ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, শীঘ্ৰেই নলবাৰী, শিলচৰ আৰু যোৰহাটতো প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। উল্লেখযোগ্য যে ৮০০ খন চাহ বাগিচাৰ লাইনৰ পথ নিৰ্মাণৰ বাবে আজিৰ মন্ত্ৰীসভাৰ বৈঠকত ৮০০ কোটি টকাৰ অনুমোদন জনোৱা হয়।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ৰ উপ-সচিব মণিসুন্দৰ বেনাৰ্জীয়ে আজি বৰপেটা জিলাৰ জনীয়াত পঞ্চায়ত পৰ্যায়ত ৰূপায়ণ হোৱা বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ কাম-কাজৰ ক্ষেত্ৰভিত্তিক পৰ্যালোচনা কৰে। সচিবগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ আবাস যোজনাৰ লগতে আনুসংগিক বিভিন্ন বিষয় সন্দৰ্ভত চালি-জাৰি চায়। তেওঁ লগতে জলজীৱন মিছনৰ ৰূপায়ণ, আয়ুস্মান কাৰ্ডৰ সুবিধা জনসাধাৰণে লাভ কৰিছেনে নাই, ইত্যাদি বিষয়েও পৰ্যালোচনা কৰে। এই পৰ্যবেক্ষণ কালত বৰপেটাৰ অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিতকে ধৰি বিভিন্ন বিভাগৰ বিষয়া, প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উপ-সচিবগৰাকীয়ে জনীয়াত জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে। মত বিনিময় কালত তেওঁ কেন্দ্ৰীয় আঁচনিসমূহৰ দ্বাৰা ৰাইজ কিমানদূৰ লাভৱান হৈছে এই সন্দৰ্ভত বুজ লয়।

০০০০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই গুৱাহাটীত আজি তৃতীয় লিংগ কল্যাণ বোৰ্ডৰ এখন বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত তৃতীয় লিংগৰ লোকে সন্মুখীন হৈ অহা বিভিন্ন অসুবিধা সন্দৰ্ভত আলোচনা কৰা হয়। এই লোকসকলক পৰিচয় পত্ৰ প্ৰদানকে ধৰি তেওঁলোকৰ সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মন্ত্ৰী শ্ৰীহাজৰিকাই উল্লেখ কৰে। ৰাজ্য চৰকাৰে বিভিন্ন সময়ত তৃতীয় লিংগৰ লোকসকলক সুৰক্ষাৰ ব্যৱস্থা কৰি আহিছে বুলিও তেওঁ মন্তব্য কৰে। আজিৰ এই সভাত সামাজিক ন্যায় আৰু

সৰলীকৰণ বিভাগৰ আয়ুক্ত সচিব বিৰেন্দ্ৰ মিট্টাল, সচিব কে জে হিলালীকে ধৰি বহুকেইগৰাকী বিষয়া উপস্থিত থাকে।

০০০০০০০০০

দক্ষতা, নিবনুৱা আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি মঙলদৈত নিৰ্মীয়মান অসম দক্ষতা বিকাশ বিশ্ববিদ্যালয়ৰ গুৱাহাটীত থকা অস্থায়ী চৌহদ পৰিদৰ্শন কৰে। মন্ত্ৰী শ্ৰীমল্লবৰুৱাই পৰিদৰ্শনৰ অন্তত সংবাদমাধ্যমৰ আগত কয় যে, অহা জুলাই মাহৰ পৰা দক্ষতা বিকাশৰ ৪টা পাঠ্যক্ৰম আৰম্ভ হ'ব। অসম দক্ষতা বিকাশ বিশ্ববিদ্যালয়ৰ নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে, ২০২৬ চনৰ ভিতৰত বিশ্ববিদ্যালয়খনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব।

০০০০০০০০

ভাৰত আজি নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত বৰ্তমানলৈ এখনো খেলত পৰাজিত হোৱা নাই। ইতিপূৰ্বে হৈ যোৱা খেলত ভাৰতে পাকিস্তান আৰু আয়াৰলেণ্ডৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে আমেৰিকাই কানাডা আৰু পাকিস্তানক পৰাভূত কৰিছে। ভাৰত উন্নত ৰান ৰেটৰ ভিত্তিত গ্ৰুপৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে আমেৰিকা এই তালিকাৰ দ্বিতীয় স্থানত আছে।

এণ্টিগুৱাত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত অষ্ট্ৰেলিয়াই নামিবিয়াক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত নামিবিয়াই নিৰ্ধাৰণ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া ৭৩ ৰানৰ বিজয় লক্ষ্য অষ্ট্ৰেলিয়াৰ দলটোৱে মাত্ৰ ৫ অভাৰ আৰু ৪টা বলতেই অতিক্ৰম কৰে।

আনহাতে, ফ্লৰিডাত শ্ৰীলংকা আৰু নেপালৰ মাজত হ'বলগীয়া খেলখন প্ৰতিকূল বতৰৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০০০০

**সমাপ্ত**